# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin
***HEADLINES***

১। চিবিআইয়ে ৰাষ্ট্ৰজুৰি প্ৰতিবাদৰ সৃষ্টি কৰা কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰায়ৰ মনস্তাত্বিক পৰীক্ষা কৰিব।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আহমেদাবাদৰ এটা অনুষ্ঠানত নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ১৮৮ জন হিন্দু প্ৰব্ৰাসীক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ বিতৰণ কৰিব।

৩। অসমে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত ২০ লাখৰো অধিক পকী ঘৰৰ অনুমোদন লাভ কৰিছে আৰু ইয়াৰে ১৯ লাখতকৈ অধিক ঘৰৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২-৩ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ***আৰু***

৫। ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে।

000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে ৰাষ্ট্ৰজুৰি প্ৰতিবাদৰ সৃষ্টি কৰা কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰায়ৰ মনস্তাত্বিক পৰীক্ষা কৰিব। ইয়াৰ বাবে দিল্লীস্থিত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মনোবৈজ্ঞানিক আৰু আচৰণগত বিশ্লেষকৰ এটা দল ইতিমধ্যে কলকাতাত উপস্থিত হৈছে। চিবিআইয়ে সঞ্জয় ৰায়ক ইতিপূৰ্বে জিম্মাত লৈছে। ইপিনে, আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দিপ ঘোষক কালি চি বি আইয়ে একেৰাহে দ্বিতীয় দিনৰ বাবে কেইবাঘণ্টা ধৰি জেৰা কৰে। চিবিআইয়ে  পুনৰ জেৰা কৰাৰ বাবে তেওঁলৈ চমন জাৰি কৰিছে।

000

কলকাতা আৰক্ষীয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌপাশে বে-আইনী গতিবিধি ৰোধ কৰাৰ উদ্দেশ্যে অঞ্চলটোত আজিৰে পৰা ৭ দিনৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা বলবৎ কৰিছে। কলকাতা আৰক্ষীয়ে ১৪ আগষ্টৰ নিশা চিকিৎসা মহাবিদ্যালয়খনত সংঘটিত হিংসাত্মক ঘটনাৰ সংক্ৰান্তত ষ্টুডেণ্টছ্ ফেডাৰেছন অৱ ইণ্ডিয়াৰ দুগৰাকী নেতাক গ্ৰেপ্তাৰ কৰিছে।

000

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আহমেদাবাদৰ এক অনুষ্ঠানত নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ১৮৮ জন হিন্দু প্ৰব্ৰাসীক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ বিতৰণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে আহমেদাবাদত আহমেদাবাদ পৌৰ নিগমৰ এহেজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া উন্নয়নমূলক প্ৰকল্পসমূহো উদ্বোধন কৰিব। আজি পুৱা শ্ৰীশ্বাহে আহমেদাবাদ পৌৰ নিগমৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প যেনে বদকদেৱ অক্সিজেন পাৰ্ক, আহমেদাবাদৰ মোকৰবা অঞ্চলৰ জিমনেছিয়াম আৰু ছুইমিং পুলো উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে আহমেদাবাদৰ প্ৰহ্লাদ নগৰত অনুষ্ঠিত ৰাজহুৱা অনুষ্ঠানত আৱৰ্জনা সংগ্ৰহৰ ভেনসমূহ মুকলি কৰাৰ লগতে এখন ৰাজহুৱা সভাও সম্বোধন কৰিব। দিনটোৰ পৰৱৰ্তী সময়ছোৱাত শ্ৰীশ্বাহে সৰৰমতিত দলীয় কৰ্মীসকলক সাক্ষাৎ কৰিব।

০০০

কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা প্ৰাধিকৰণ চিচিপিয়ে ২০২২ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক পৰীক্ষাৰ ফলাফল সন্দৰ্ভত ভুৱা আৰু বিভ্ৰান্তিকৰ বিজ্ঞাপন প্ৰকাশ কৰাৰ বাবে শ্ৰীৰাম আই এছ নামৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানটোক ৩ লাখ টকাৰ জৰিমণা বিহিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে, উপভোক্তা অধিকাৰৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সিদ্ধান্তই সামগ্ৰী আৰু সেৱা সম্পৰ্কে ভুৱা তথা বিভ্ৰান্তিকৰ বিজ্ঞাপন বন্ধ কৰাত সহায় কৰিব। ২০১৯ চনৰ উপভোক্তা সুৰক্ষা আইনৰ উলংঘন সন্দৰ্ভত চি চি পি এৰ মুখ্য আয়ুক্ত নিধি খড়ে আৰু আয়ুক্ত অনুপম মিশ্ৰাই কয় যে, শ্ৰীৰাম আই এছ নামৰ প্ৰতিষ্ঠানটোক বিভ্ৰান্তিকৰ বিজ্ঞাপন ততালিকে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। শ্ৰীৰাম আই এছ প্ৰতিষ্ঠানটোৰ ১৭১ গৰাকী প্ৰাৰ্থীয়ে বাচনি লাভ কৰাৰ পাছতো ২০০ তকৈ অধিক প্ৰাৰ্থীয়ে বাচনি লাভ কৰা বুলি দাবী কৰিছিল। মন্ত্ৰালয়ে কৈছে যে এনে ধৰণৰ ভুৱা আৰু বিভ্ৰান্তিকৰ বিজ্ঞাপনে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰাৰ্থীসকলৰ ওপৰত ব্যাপক প্ৰভাৱ পেলায়। মন্ত্ৰালয়ে কৈছে যে, প্ৰতিষ্ঠানটোৰ বিজ্ঞাপনে উপভোক্তাৰ অধিকাৰ খৰ্ব কৰিছে।

০০০

বিজেপিয়ে পহিলা চেপ্তেম্বৰৰ পৰা নতুন সদস্যভৰ্তি অভিযান আৰম্ভ কৰিব। দলে এই অভিযানৰ অধীনত ১০ কোটিৰো অধিক সদস্যভৰ্তিৰ লক্ষ্য স্থিৰ কৰিছে। এই সন্দৰ্ভত কালি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত অনুষ্ঠিত দলৰ কৰ্মকৰ্তাসকলৰ এখন বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰাই কৈছে যে, সদস্য ভৰ্তি অভিযানত নিৰ্বাচন হবলগীয়া ৰাজ্যসমূহক সামৰি লোৱা নহয়। তেওঁ কয় যে দলে মিছডকল দি, কিউ আৰ কোড স্কেন কৰি, নমো এপ ব্যৱহাৰ কৰি আৰু বিজেপি ৱেৱছাইটৰ জৰিয়তে নতুন সদস্য ভৰ্তি কৰিব। বিজেপিয়ে সম্প্ৰতি দলৰ ১৮ কোটিৰো অধিক সদস্য থকা বুলি আৰু ই বিশ্বৰ সবাতোকৈ সৰ্ববৃহৎ ৰাজনৈতিক দল বুলি দাবী কৰিছে।

০০০

অসমে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত ২০ লাখৰো অধিক পকী ঘৰৰ অনুমোদন লাভ কৰিছে আৰু ইয়াৰে ১৯ লাখতকৈ অধিক ঘৰৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে এই সাফল্যৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। তেওঁ লগতে গৃহ নিৰ্মাণৰ সৈতে জড়িত সংশ্লিষ্ট সকলোৰে শলাগ লৈছে।

০০০

বিদেশমন্ত্ৰী ড০ এছ জয়শংকৰ আজি চৰকাৰী ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হয়। কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুল্লা আলী-অল-য়াহ্য়াই বিদেশ মন্ত্ৰীগৰাকীক আদৰণি জনায়। তেওঁ লগতে কুৱেইটৰ নেতৃবৰ্গকো সাক্ষাৎ কৰিব। ভ্ৰমণকালত দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ মত বিনিময় কৰিব আৰু মধ্যপ্ৰাচ্য তথা দক্ষিণ এছিয়াৰ সাম্প্ৰতিক ভূ-ৰাজনৈতিক প্ৰেক্ষাপটক লৈ আলোচনা কৰিব।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২-৩ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ-পশ্চিম বংগোপ সাগৰত সৃষ্টি হোৱা নিম্নচাপ বলয় উত্তৰ, উত্তৰ-পশ্চিম দিশে অগ্ৰসৰ হোৱাৰ আৰু কাইলৈৰ ভিতৰত বাংলাদেশ আৰু পশ্চিমবংগৰ গংগা নৈৰ পাৰৰ এলেকাসমূহত গভীৰ নিম্নচাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত ২০ আগষ্ট পৰ্যন্ত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ হিমালয় তথা গংগা নৈৰ কাষৰীয়া এলেকাসমূহত বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০

আজি আমেৰিকাৰ বিদেশ মন্ত্ৰী এণ্টনি ব্লিংকেন গাজাত যুদ্ধ বিৰতিৰ পৰিপ্ৰেক্ষিতত ৱাছিংটনৰ কূটনৈতিক পদক্ষেপৰ বাবে ইজৰাইলৰ টেল আভিভত উপস্থিত হব। যোৱা বছৰ অক্টোবৰ মাহত হামাছৰ সন্ত্ৰাসবাদীয়ে দক্ষিণ ইজৰাইলত আক্ৰমণ কৰাৰ পছত তেওঁৰ এইটো নৱম পশ্চিম এছিয়া ভ্ৰমণ। আমেৰিকাৰ শীৰ্ষ কূটনীতিবিদগৰাকীয়ে কায়ৰোত অব্যাহত ইজৰাইল আৰু হামাছৰ মাজৰ পৰোক্ষ শান্তি আলোচনা তদাৰক কৰিব। আমেৰিকাৰ হস্তক্ষেপত বৃহস্পতিবাৰ আৰু শুকুৰবাৰে দোহা শান্তি আলোচনাৰ পাছত যুদ্ধ বিৰতি আশা কৰা হৈছে।

ইজৰাইলৰ বিষয়াসকলৰ মতে ব্লিংকেনে ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হাৰজগ, প্ৰধানমন্ত্ৰী বেঞ্জামীন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ইঅ'ভ গেলেণ্টক সাক্ষাৎ কৰিব। সূত্ৰ অনুসৰি আমেৰিকাৰ কূটনীতিবিদগৰাকীয়ে কাটাৰৰ দোহাত পৰোক্ষ শান্তি আলোচনাৰ সৈতে জড়িত মোছাদৰ সঞ্চালক দেভিদ বাৰ্ণিয়া আৰু শ্বিনবেটৰ মুৰব্বীকো সাক্ষাৎ কৰিব। যোৱা বছৰৰ ৭ অক্টোবৰত হামাছাৰ সন্ত্ৰাসবাদীয়ে দক্ষিণ ইজৰাইলত প্ৰবেশ কৰি প্ৰায় ১২ শ লোকক হত্যা কৰাৰ লগতে ২৫১ জন লোকক অপহৰণ কৰি বলপূৰ্বকভাৱে গাজালৈ লৈ গৈছিল। পণবন্দী ২৫১ জনৰ ভিতৰত ১১১ জন এতিয়াও গাজাতে আছে। যোৱা মাহৰ ৩১ তাৰিখে তেহৰাণত হামাছৰ নেতা ইছমাইল হানিয়েহক হত্যা কৰাৰ পিছতে ইৰাণে ইজৰাইলৰ বিৰুদ্ধে প্ৰতিশোধৰ ভাবুকি দিয়াৰ সময়তে আশংকা কৰা আঞ্চলিক উত্থানৰ পৰিপ্ৰেক্ষিতত শান্তি আলোচনাৰ কূটনৈতিক প্ৰচেষ্টা চলি আছে। ইজৰাইলৰ বিৰুদ্ধে কোনো ধৰণৰ প্ৰতিশোধমূলক ব্যৱস্থা গ্ৰহণ নকৰিবলৈ আমেৰিকাই ইৰাণক বাৰে বাৰে সকিয়াই আহিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে থাইলেণ্ডৰ সদ্যনিৰ্বাচিত প্ৰধানমন্ত্ৰী পেটংটাৰ্ণ শ্বিনাৱাত্ৰাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমক এক পোষ্ট যোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ সফল কাৰ্যকলাৰ কামনা কৰিছে। শ্ৰীমোদীয়ে লগতে কয় যে, ভাৰত আৰু থাইলেণ্ডৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ বাবে তেওঁৰ সৈতে কাম কৰিবলৈ আগ্ৰহী।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে। জ্ঞান দত্তু আৰু তনৱি ৰেড্ডীয়ে ১৭ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰাৰ বিপৰীতে শ্যাম বিন্দিগনৱিলে আৰু তন্ৱি পত্ৰিয়ে ১৫ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰিব। ছাইনা মণিমুতুই ১৭ বছৰ অনুৰ্ধৰ ছিংগলছৰ উপৰি এক্যা ছেট্টীৰ সৈতে ডাবলছতো অংশগ্ৰহণ কৰিব। চীনত অনুষ্ঠিত যোৱাবাৰৰ সংস্কৰণত ভাৰতে এটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বৰ্ণিল চাংমাই ল'ৱাল ১৭ বছৰ অনুৰ্ধৰ শাখাত সোণৰ পদক অৰ্জন কৰিছিল। উল্লেখযোগ্য যে, ভাৰতে অহা বছৰ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ আয়োজন কৰিব।

০০০

সমাপ্ত